
# DIP SYNAPSE



## ASSAMESE SECTION

# অসমীয়া বিভাগ

## পদ্যৰ কৰণি

### গংগা আৰতি

*হংসিকা মজিন্দাৰ বৰুৱা*
*শ্ৰেণী-ষষ্ঠ*

*গৈছিলো মই বানাৰস*
*মন্দিৰৰ চহৰ বুলি যাক কয়*
*পবিত্ৰ গংগা নদী*
*এই চহৰৰ মাজেদি বয় ।*
*প্ৰতি সন্ধিয়া নগৰীৰ পাৰত*
*গংগাৰ আৰতি হয় ।*
*আমি গৈছিলো তাকে চাবলৈ*
*ককা-আইতাক লগত লৈ।*
*বহু ভক্তৰে ঠাই খাই পৰিছিল*
*গংগা নদীৰ পাৰ*
*শংখ, ঘন্টা চাকিত পোহৰে*
*উজ্বলি উঠিল ঘাট।*
*দেশী- বিদেশী পৰ্যটকসকলৰ*
*তত নাইকিয়া গাত*
*এই চেগতে আমিও তুলিলো*
*চেলফি এখন তাত ।*
*নাৱত উঠি গংগাত ফুৰিলো*
*দেখিলো বিভিন্ন ঘাট*
*সেইদেখি দাদা আৰু মই*
*বনালো ভিডিঅ তাত ।*

### যাত্ৰা

*প্ৰিচনিকা বৰা*
*শ্ৰেণী-অষ্টম*

*যাত্ৰা এক নিৰৱধী যাত্ৰা*
*সুখ-দুখ একাকাৰ কৰি*
*কঠিন শিলত খোদিত কৰা*
*ৰেখাৰে অবিৰত যাত্ৰা জীৱনৰ।*
*পাৰাপাৰহীন এই পদত*
*নাই কোনো আপোন পৰা*
*অথচ আমি বোৰ মোহেৰে বন্দী*
*একো একোজন যাত্ৰী ।*
*এই একে বেঁকা পথত*
*আমি বোৰ উজুটি গাঁও,পৰো*
*আকৌ উঠো,*
*আকৌ আৰম্ভ কৰোঁ নতুন উদ্যমেৰে*
*যত থাকেআশা,হেঁপাহ আৰু*
*তেজৰতী কল্পনাবোৰ সাৰ্থক কৰাৰ যাত্ৰা*



### নাৰীৰ সন্মান

*ফাইক ৰহমান*
*শ্ৰেণী-সপ্তম*

কোনো নাৰী মৰমৰ ভোকাতুৰ নাথাকে
যদিহে মৰম নাপাই,বুজাবুজি কৰিয়ে চলে।
কিন্তু যদি সন্মান নাপাই,তেন্তে আত্মসন্মানবোধৰ অপমানিত ব্যথিত হয়
পিছত যিমান চেষ্টা কৰিলেও কেতিয়াও দুখ দিয়াজনক অন্তৰত সোমাবলৈ নিদিয়ে ।
সেয়ে নাৰীক প্ৰদান কৰাৰ সুন্দৰ উপহাৰ হৈছে সন্মান।
কিয়নো নাৰীয়ে সন্মান দিয়াজনক কেতিয়াও নাপাহৰে ।

## আই

জীয়ান হুছেইন

শ্ৰেণী- পঞ্চম

অ মোৰ অসমী আই
মোৰ প্ৰণাম তোমালৈ
অতিকৈ ধুনীয়া তুমি,মোৰ আই
নীলা আকাশৰ তলত
সেউজীয়া পথাৰ
কুলুকুলু শব্দৰে
তোমাৰ বুকুৰেদি বৈ যায়
নদী নিজৰা ক'ত ।
ওখ ওখ পাহাৰ পৰ্বত
ডাৱৰৰ বুকুত
লুকাভাকু খেলে।
এই বিনন্দীয়া ৰূপ তোমাৰ
মোৰ আই,মোৰ ভাষা
সবাতোকৈ আপোন মোৰ
তোমাক সহস্ৰ প্ৰণাম ।

## ৰঙৰ খেলা

ৰিশিত দুৱৰা

শ্ৰেণী- পঞ্চম

সাতটা ৰঙৰ সমাহাৰেৰে ৰঙৰ খেলা
তাকে চাই মইনাই আনন্দতে কৰে খেলা
তেজৰ ৰং,গোলাপ ফুলৰ ৰং ৰঙা
সেউজীয়া প্ৰকৃতিয়ে কৰে মন মতলীয়া
ৰূপৰ ৰং ৰূপালী,সোণৰ ৰং সোনালী
সৰিয়হ ফুলৰ ৰং হালধীয়া, বতাহতে থাকে হালি
জালি ।
আকাশখন নীলা,কপাহ আকৌ বগা
কিমান যে আছে ৰঙৰ খেলা ।
সাত ৰঙৰ সমাহাৰেৰে আকাশত ৰামধেনু ওলায়
মইনাই তাকে দেখি হাঁহে মিচিকিয়াই ।

## বিপ্লৱ জীৱন

বোধ বিক্ৰান্ত শইকীয়া

শ্ৰেণী—অষ্টম

কেতিয়াবা ৰঙবোৰত যেন সাঁথৰ হয়
মনৰ জীপাল আঁতৰি থমকি ৰয় ।
সেউজীয়াৰ প্ৰতি বিশ্বাস হেৰায়
জীৱনৰ এই বিশাল দৌৰত
দেহ মন যেন বাগৰি ৰয় ।
হঠাতে এদিন উজ্জ্বল পোহৰে
আকাশৰ শেষ দিগন্তত
আন্ধাৰ আতঁৰাই, আহিল বিৰিঙাই
প্ৰভাতৰ এটি কোমল জুলীয়া বাবে
ধীৰ বিপ্লৱৰ চমক ছটিয়াই
আমি আকৌ সাৰ পাই উঠো
দুচকুৰ আস্হাৰ পলক জিলিকি
নিৰ্জীৱ সপোনবোৰ পুনৰ জীয়াই ধৰো।
আমৰণ বিপ্লৱৰ সন্ধানত
এটি নিৰ্মল হাঁহিৰ পৰ্যন্ত

## বতাহ

আৰিয়া কাশ্যপ

শ্ৰেণী -তৃতীয়

বতাহ , বতাহ উৰাই নিয়া ফুল ফুলনি
বতাহ , বতাহ উৰাই নিয়া মেঘ আকাশৰ পৰা
বতাহ , বতাহ উৰাই নিয়া নিয়ৰ উত্তৰ দিশে
বতাহ, বতাহ প্ৰকৃতি শুৱনি কৰা বৰষুণৰে
বতাহ বতাহ তুমিয়ে কৰা সেউজী ধৰণী
বতাহ, বতাহ উৰাই নিয়া মোক
প্ৰকৃতি ফুৰাই আনা তোমাৰ কোলাত ।

## বৰষুণ

অভিমন্যু নাথ
শ্ৰেণী-ষষ্ঠ

বৰষুণ,বৰষুণ
টোপ,টোপকৈ পৰে
বৰষুণে মোৰ মন জীপাল কৰি তোলে ।
বৰষুণ, বৰষুণ
টোপ টোপকৈ পৰে
গছে বনে ন পাত মেলে
বৰষুণ,বৰষুণ
চিপ চিপকৈ পৰে,
দূৰ দিগন্তত যেন ৰামধেনু উৰে
বৰষুণ,বৰষুণ
তোমাৰ সৈতে মৌচুমী আহে
পথাৰত কৃষকে বোকাৰে সৈতে খেলে ।

## ধেমেলীয়া কবিতা

ৰাধিকা দুৱৰা
শ্ৰেণী-অষ্টম

মোৰ মন যায় আইতা হ'বলৈ
শনিবাৰে নামঘৰলৈ গৈ
এমুঠি প্ৰসাদ আনিবলৈ।
মোৰ মন যায় ভকতনী হ'বলৈ
বাটি ভৰাই জলপান এটি খাবলৈ ।
মোৰ মন যায় মা হ'বলৈ
সুস্বাদু নানাবিধ ব্যঞ্জন ৰান্ধিবলৈ ।
মোৰ মন যায় যায় কণমানি ভন্টি হ'বলৈ
উলমি জালি দিনটো ঘূৰি ফুৰিবলৈ
মোৰ মন যায় মাদাৰ টেৰেছা হ'বলৈ
দৰিদ্ৰ অনাথ শিশু সকলৰ বাবে কাম কৰিবলৈ ।

## আলু আৰু কচু

দিব্যানা বৰুৱা
শ্ৰেণী-দ্বিতীয়

আলু গুটি কচু গুটি
দুয়ো ককাই ভাই
পিতিকা বনাই পালেহে
জুতি পোৱা যায় ।
আলু গুটি কচু গুটিৰ
মাটিৰ তলত বাস
মানুহবোৰে খাই লৈ
কৰে আস আস
কচুৱে কৰে মানুহবোৰে
মোকহে ভাল পায়
সেয়েহে সিঁহতে মোক দাইলত দিওঁ খায় ।
কচুৰ কথা শুনি আলুৱে
মনত বেজাৰ পাই
ভাবি চিন্তিত উত্তৰ দিলে
কচুক টপৰাই
মোক হ'লে মানুহবোৰে
তোমাতকৈ ভাল পায়
সেইবাবেই সিহঁতে মোক
বাৰ মাহেই খায় ।

## প্ৰকৃতি

অভয় জালান
শ্ৰেণী ষষ্ঠ

ঋতুৱে ঋতুৱে বৰণ সলায়
প্ৰকৃতিৰ বিনন্দীয়া ৰূপৰ তুলনা নাই ।
বসন্ত ঋতুত ন - সাজ পিন্ধি
ধৰণীৰ শোভা বঢ়ায়,
হেমন্ত ঋতুত সোণালী সাজেৰে
পথাৰৰ সৌন্দৰ্য চৰায় ।
প্ৰকৃতিৰ অতুলনীয় ৰূপত
মানুহ হয় মুগ্ধ ।
কিন্তু , প্ৰকৃতিৰ যি সংহাৰী ৰূপ
সিয়েই মানুহলৈ আনে ধ্বংস ।
প্ৰকৃতিৰ এই ধ্বংসলীলাই
বহুতৰে কাঢ়ি নিয়ে প্ৰাণ ।

## আমাৰ টমি

*অন্তৰ শইকীয়া*
*শ্ৰেণী- সপ্তম*

*আমাৰ ঘৰত কুকুৰ এটা আছে*
*নামটো তাৰ টমি*
*সদায়ে মই তাৰ লগত কৰোঁ ধেমালি ।*
*মাছ মাংস নেপালে*
*নাখাই সি ভাত*
*অচিনাকি জন দেখিলেই দাঁত নিকটাই*
*পুৱা আৰু আবেলি*
*মোৰ লগত কৰে ধেমালি*
*ৰাষ্টাত এপাক নুফুৰালেই*
*যেনিতেনি দৌৰি লগাই খেলিমেলি ।*
*খাবৰ পৰত পিছে আমাক নালাগে তাক*
*ভুকভুকাই ঘনাই লয় মা জনীৰ পাচ ।*
পেটটো ভৰিলেই নকৰে আমনি

## আশা

*প্ৰাপ্তি বৰদলৈ*
*শ্ৰেণী- ষষ্ঠ*

*আশা নামৰ আখৰ দুটি*
*সকলোৰে প্ৰিয়*
*আশা বুকুত বান্ধি লৈ*
*জীয়াই আছে জীৱ ।*
*আশা পূৰণৰ কাৰণে*
*যদি কৰা যত্ন*
*তেতিয়াই তুমি জীৱনত*
*পাবা অমূল্য ৰত্ন*
*আশাৰ কাৰণেই কৰিবা*
*সাধন অসাধ্য*
*মই বুলি নহ'বা তুমি*
*আনৰ অবাধ্য ।*

## বিদ্যালয়

*ফাহিম আচৰাফ*
*শ্ৰেণী - ষষ্ঠ*

*হে জ্ঞানৰ মন্দিৰ*
*তোমাক সহস্ৰ প্ৰণাম*
*অজ্ঞানতাৰ ওৰণি গুচাই তুমি*
*জ্ঞানৰ প্ৰদীপ জ্বলোৱা*
*চিৰ নমস্য তুমি বিদ্যালয়*
*আমি অকণমানি দেশৰ ধৰণী*
*সাৰথি তুমি জ্ঞানৰ মন্দিৰ*
*ৰাম আমি আগুৱাই*
*পোহৰ বিচাৰি*
*শিক্ষাগুৰুৰ আশীৰ্বাদ শিৰত লৈ*
*খাম আমি কৃতজ্ঞতাৰ জয়গান ।*
*বিদ্যালয় তোমাক মোৰ শত সহস্ৰ প্ৰণাম।*

## ৰামধেনু

*অক্ষয়া গাৰ্গ*
*শ্ৰেণী- চতুৰ্থ*

*সাত ৰঙীয়া ৰামধেনু*
*দেখিবলে অতি মনোহৰ ।*
*ৰ'দ বৰষুণ দিলে ওলায় আহে,*
*সকলোৰে চাবলৈ খৰ ধৰ ।*

*সৰু ডাঙৰ সকলোৱে চায়,*
*মনত আনন্দ পায়*

## মই প্ৰতিষ্ঠা

*প্ৰতিষ্ঠা হাজৰীকা*
*শ্ৰেণী চতুৰ্থ*

*মোৰ নাম প্ৰতিষ্ঠা*
*প্ৰতিষ্ঠা কৰিম মই এক নতুনৰ*
*নতুন চিন্তাৰে*
*গঢ়িম মই নতুন সমাজ*
*মই হাঁহিম আৰু সকলোকে হহোঁৱাম*
*মোৰ নাম প্ৰতিষ্ঠা*
*প্ৰতিৰ্ষ্ঠিত হম মই নিজৰ বলত*

# গদ্যৰ কৰণি

## গদ্যাংশ

### বৰবৰুৱা পুখুৰী এক সেউজ প্ৰকৃতিৰ থলী

*আয়ান কুমাৰ*
*শ্ৰেণী-চতুৰ্থ*

আহোম ৰজাৰ শাসন কালত শিৱসাগৰ জিলাত খন্দা পুখুৰী সমূহৰ ভিতৰত নাজিৰা নগৰৰ দুই নং ৱাৰ্ডৰ বৰবৰুৱা পুখুৰী অন্যতম । আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত (১৭৮০-১৭৯৫) ৰাজত্ব কালত শিৱনাথ ওৰফে হেকেৰা বৰবৰুৱাই পুখুৰীটো খন্দাইছিল বুলি বুৰঞ্জীত উল্লেখ আছে। পুখুৰীটোৰ মাটিকালি প্ৰায় ১৫বিঘা । পুখুৰীটোৰ পাৰত পুৰা গধূলি ৰাইজে খোজ কাঢ়িবলৈ ভাল পায় । পুখুৰীটোৰ পাৰত নাজিৰা মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয়, মহকুমা আদালতৰ, লোকনিৰ্মান বিভাগৰ কাৰ্য্যালয় আদি আছে । নাজিৰা নগৰৰ এই সেউজ প্ৰাকৃতিক অঞ্চলৰটোৰ উপযুক্ত সংৰক্ষণৰ বাবে আমি সচেতন হোৱা উচিত ।

### বুদ্ধিয়ক ৰাজকুমাৰী

***তিৰবিৰ গগৈ***
***শ্ৰেণী- পঞ্চম***

এখন দেশত এজন সৎ, দয়ালু আৰু পৰোপকাৰী ৰজাই বসবাস কৰিছিল। ৰাজ্যখনত প্ৰজাই সুখেৰে জীৱন যাপন কৰিছিল । সেই ৰজাৰ অতি মৰমৰ কন্যা আছিল অপৰূপা। অপৰূপা সুন্দৰী, বুদ্ধিমতী আৰু সাহসী আছিল ।

ৰাজ্যখনৰ ৰজাৰ মন্ত্ৰীপদৰ কুবুদ্ধিৰ লোক আছিল । তেওঁ চলেৰে সেই ৰাজ্যৰ ৰজাক বন্দী কৰি নিজেই ৰাজ্যৰ শাসন কৰিবলৈ ল'লে । অপৰূপাই সকলো দেখি আছিল, তেতিয়া অপৰূপাই বুদ্ধিৰে নিজ প্ৰাণ ৰক্ষা কৰি ৰাজপ্ৰসাদৰ পৰা দূৰত থাকিবলৈ ল'লে । অপৰূপাক সেই মন্ত্ৰী আৰু ৰাজ্যৰ সৈন্যই বিচাৰি উলিয়াব নোৱাৰিলে। মন্ত্ৰীজনে ভাবিলে যে অপৰূপাই নিজ ইচ্ছাৰে ৰাজপ্ৰসাদ এৰি গৈছে যেতিয়া তাই আৰু ঘূৰি নাহে । এনেদৰে বহু দিন পাৰ হৈ গ'ল । এদিন হঠাৎ অপৰূপাই দাবীৰ ৰূপত ৰাজপ্ৰসাদলৈ আহিল। তাই এইদৰে দাবীৰ ৰূপত কিছুদিন থাকিবলৈ ল'লে । অপৰূপাই বুদ্ধিৰে নিজ পিতৃক বন্দীত্বৰ পৰা মুকলি কৰিলে । ইয়াৰ পিছত অপৰূপাই সেনাবাহিনীক আৰু সেই দেশৰ প্ৰজাক মন্ত্ৰীপদৰ কুকাৰ্য অৱগত কৰাই সকলোৰে একেলগে হৈ মন্ত্ৰীজনক শাস্তি প্ৰদান কৰিলে । অপৰূপাৰ বুদ্ধি আৰু সাহসী সকলো মোহিত হৈ অপৰূপাক সেই ৰাজ্যৰ ৰাণী হিচাপে স্বীকাৰ কৰিলে ।

# সাধু

## জোনাকৰ সপোন

*ঈশানজ্যোতি কাশ্যপ*
*শ্ৰেণী-চতুৰ্থ*

এখন গাঁৱত জোনাক নামৰ এজন ল'ৰা আছিল । তাৰ মাকৰ নাম দেৱলক্ষ্মী আৰু দেউতাকৰ নাম ৰঞ্জন আছিল । জোনাকৰ সপোন আছিলে যে সি এজন এষ্টনাট হ'ব। কিন্তু তেওঁলোকৰ আৰ্থিক অৱস্থা স্বচ্ছল নাছিল, মে জোনাক চহৰলৈ গৈ ভাল কলেজত নামভৰ্তি কৰিব পাৰে । সেইকাৰণে সি কষ্ট কৰি ছয় বছৰ চাহ বিক্ৰী কৰিলে আৰু সি নিজকে চহৰৰ ভাল কলেজত নামভৰ্তি কৰিব পৰাকৈ সক্ষম কৰি তুলিলে কষ্টৰ ফলত আজি সি এজন সফল এষ্টনাট হ'ল। এই সাধুটোৰ পৰা আমি এই শিক্ষা পালোঁ যে যত্ন কৰিলে ৰত্ন পায় ।

## অৰণ্য মানৱ যাদৱ পায়েং

জীৱকুলৰ বাবে অনিৰুদ্ধ প্ৰচেষ্টা । যান্ত্ৰিকতাৰ পৃথিৱীত তেওঁৰ কৰ্মৰাজি আশাৰ কিৰণ । সমগ্ৰ পৃথিৱীৰ বাবিই যাদৱ পায়েংএজন আদৰ্শ ব্যতিক্ৰমী ব্যক্তি ।নতুন দিল্লীৰ জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ে তেওঁক ' ফৰেষ্ট মেন অৱ ইণ্ডিয়া উপাধি ' প্ৰদান কৰাৰ লগতে ভাৰত চৰকাৰি 'পদ্মশ্ৰী ' উপাধি প্ৰদান কৰে ।

' মুলাই কাঠনি 'ৰ জন্মদাতা 'অৰণ্য মানৱ ' যাদৱ পায়েং দেৱৰ জন্ম ককিলামুখত । ১৯৬৫ চনৰ ভয়ংকৰ বানপানীত তেওঁলোকৰ গাঁৱৰ মানুহবোৰ উঠি গ'ল । ১৯৭৯ চনত হোৱা প্ৰলয়ংকৰী বানপানীৰ পিছত যেতিয়া পায়েং দেৱৰ পৰিয়াল ককিলামুখলৈ ঘূৰি আহিছিল তেতিয়া চাৰিওফালে কেৱল বালিময় পৰিৱেশ । বানপানীৰ পিছত ঠাইবোৰত বহু জাবৰ - জোথৰ বৈ গ'ল । জাবৰৰ দমত বহুত সাপ আছিল । সেই সাপবোৰ জেঠমহীয়া উত্তাপৰ বাবে মৰি গৈছিল । সেই কথাই পায়েং দেৱৰ মনত বৰ কষ্ট দিছিল । তেওঁ ওচৰৰ মানুহৰ পৰামৰ্শ অনুসৰি সাপ নমৰিবৰ বাবে বাঁহ গছ ৰুলে । এজন মানুহৰ নিৰলস প্ৰচেষ্টা , এবছৰ দুবছৰ নহয় সম্পূৰ্ণ ৩০ বছৰৰ সাধনা । ১৩০৭ হেক্টৰ মাটিত লাখ লাখ গছ- গছনি ৰুই অকলেই অভিলেখ সৃষ্টি কৰিছে । আজি যাদৱ পায়েং দেৱক সদগ্ৰ পৃথিৱীয়ে চিনি পায় । প্ৰতি বছৰে হৰিণ , বাঘ , হাতী , হাজাৰ প্ৰজাতিৰ সাপ , ভাৰতবৰ্ষৰ ৮০% পক্ষী আৰু এশিঙীয়া গড় ' মোলাই কাঠনি 'লৈ আহে ।

কেতিয়াও মানুহে হাৰ মানিব নালাগে ভাল কাম কৰি যাব লাগে । সদ্যহতে এটা অতি ভাল খবৰ যে হলিউদত এইজন অসমীয়া নায়কক লৈ ছবি নিৰ্মাণ হ'ব । ইতিমধ্যে তেওঁক লৈ লিখা 'Boy How Grew a Forest ' নামৰ কিতাপখনে বিশ্বত সমাদৰ লাভ কৰাৰ উপৰিও ছয়টা সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে । আহক আমি তেওঁৰ কৰ্মৰাজিৰে অনুপ্ৰাণিত হৈ এই সুন্দৰ চিৰবিনন্দীয়া পৃথিৱীখন ৰক্ষা কৰোঁ আৰু আমি সকলোৱে আমাৰ ওপজা দিনত এটাকৈ গছপুলি ৰুই তাৰ যত্ন লয় । গছ থাকিলেহে জীৱকূল থাকিব ।



*শৰ্মিষ্ঠা নন্দা গগৈ*
*শ্ৰেণী - অষ্টম*

# অ' সখী, শুনাচোন

*সমৃদ্ধি কাশ্যপ*

আজি দুপৰীয়াৰ কথা। মই বজাৰলৈ ওলালোঁ। বতৰটো চাই বৰষুণ দিব যেন লাগিছিল । মই বোলো আগতেই গৈ কামকেইটা কৰি লওঁ। চাইকেলখন লৈ মই বজাৰলৈ বুলি ওলাই আহিলোঁ। ঘৰৰ পৰা ওলায়েই কেইজনমান ল'ৰাই কিবা এটা তৰ্ক কৰি থকা যেন চকুত পৰিল কিন্তু মই বৰ এটা মন নিদিলোঁ। মই আগবঢ়ি গৈ থাকিলোঁ । এই বজাৰ সোমাও সোমাও হৈছোঁ, তেনেতে আহিল নহয় বৰষুণজাক । ছেঃ, আপদীয়াজাক । ইমান বেয়া পাওঁ নহয় মই এইবোৰ । পিছে কিনো কৰিম... দোকান এখনৰ বাৰান্দাতে অলপ পৰ ৰ'লো । দোকানখনৰ দুৱাৰবোৰ কাচৰ আছিল। কিয়নো লগাই জানো এইবোৰ বৰ চকুত পৰে। আজি ভনীহঁত ঘৰলৈ নহা হ'লে মই যে কেতিয়াও ওলাই নাহোঁ । মই য'ত ৰৈ আছিলোঁ নহয় , তাতে আকৌ এহাল বুঢ়া-বুঢ়ী আৰু এজনী সৰু ছোৱালী আছিল। ছোৱালীজনীলৈ মই চালোঁ, তায়ো মোলৈ চালে । হঠাৎ তাই কান্দি উঠিল । মই আচৰিত । কি হ'ল আকৌ এইৰ ? মই তাইলৈ চাবলৈকে ভয় লাগিল । নাচালোঁ তাইৰ ফালে । তেনেতে বৰষুণ এৰিল আৰু মই চাইকেলৰ চিটটো মুচি-কাচি ঘূৰি আহিলোঁ ঘৰলৈ । আজি বজাৰ নকৰোঁ দে । ভনীহঁতে নিৰামিষ খাব। কিটোনো হ'ব ন ? ঘৰলৈ ওভোটোতে মোৰ কাষৰেই আৰক্ষীৰ গাড়ী এখন যি ৰকম বেগত গ'ল, মানে কি কম কি যে দিনকাল আহিল নহয় আজিকালি । ভাবি ভাবি ঘৰ পালোঁহি মই । পিছদিনা ৰাতিপুৱাই ঘৰৰ চোতালত ৰ'দ পুৱাবলৈ চকী পাৰি বহিলোঁ। বাতৰি খনৰ প্ৰথম পৃষ্ঠাত চকু ফুৰাইছোঁহে মাথোঁ ।ডাঙৰ ডাঙৰ হৰফেৰে লিখা আছিল "সৰগ খহি পৰিল বাটবুৱাৰ ঘৰত ! বন্ধুৰ সৈতে হোৱা তৰ্কা-বিতৰ্ক পুত্ৰৰ হত্যা, সৰু জীয়ৰীক অপহৰণ, বৰষুণত আৰক্ষীৰ গাড়ীত পত্নীৰ মৃত্যু । জীয়ে নে মৰে এতিয়া তেওঁ। ধেৎ কোনেও নেদেখিলে নে এবাৰো । কি যে দিন-কাল আহিল আজিকালি । কাকতত থকা কণমানি জনীৰ ছবিখন পুনৰ চালোঁ মই । হঠাৎ চকুৰ আগত ভাহি আহিল কালি কান্দি থকা ছোৱালীজনীৰ মুখখন আৰু সেই অচিনাকি মানুহজন । তাৰ মানে... মই দেখিও নেদেখাৰ ভাও জুৰি গুচি আহিলোঁ । ইমান নীচ কিয় হ'লো মই । আত্মগ্লানিত মোৰ সৰ্বশৰীৰ কঁপি উঠিল ।

## আজিৰ দিনটোৰ বাণী

*আপুনি হাঁহি থাকোতে আপোনাৰ লগত এশজন লোক থাকিব কিন্তু আপুনি দুখী হ'লে আপোনাৰ পৰাজন আটাইতকৈ বিশেষ ।*

*হিতেশ গোৱেল*
*শ্ৰেণী পঞ্চম*

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু জয়মতী বোলছবি

আজন্ম শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা অসমীয়া মানুহৰ অতিকৈ মৰমৰ আৰু অতিকৈ শ্ৰদ্ধাৰ। তেখেতে কলিকতাত পঢ়ি থাকোঁতেই অসমীয়া বোলছবি নিৰ্মানৰ সপোন দেখিছিল । জ্যোতিপ্ৰসাদ আগৰৱালাই এডিনবাৰ্গ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা সময়তে বাৰ্লিনলৈ গৈ বোলছবি নিৰ্মানৰ কৌশল আয়ত্ব কৰি আহে । সেই সময়ত প্ৰচলিত বেংগলী যাত্ৰা পাৰ্টি আৰু থিয়েটাৰ সমূহে অসমীয়া সংস্কৃতিটো ঢাকি পেলোৱাৰ উপক্ৰম হওঁতেই ইয়াৰ উপায় হিচাপে জ্যোতিপ্ৰসাদে বাচি ল'লে অসমীয়া বোলছবি ।

এখন অসমীয়া ছবি নিৰ্মাণৰ বাবে তেওঁ লক্ষ্মীনাথ বেজবৰুৱাই লিখা আহোম ৰাজকুঁৱৰী জয়মতীৰ কাহিনীটোকে নিৰ্বাচন কৰি ল'লে । বেজবৰুৱাইও সন্মতি জনোৱাত জ্যোতিপ্ৰসাদ আগৰৱালাই বোলছবি নিৰ্মানৰ কামত আগবাঢ়িল । সেই সময়ত মানুহে বোলছবিত অভিনয় কৰা কথাটো কল্পনাই কৰিব পৰা নাছিল। আৰু অভিনয় কৰাতো এক অনৈতিক কাৰ্য বুলিহে বিবেচনা কৰিছিল । এনে এটা পৰিৱেশতে জ্যোতিপ্ৰসাদে জয়মতী বোলছবিৰ বাবে নায়ক-নায়িকা বিচাৰি কাকতত বিজ্ঞাপন প্ৰকাশ কৰিলে।

পুৰুষ -মহিলা ,যুৱক-যুৱতী সকলোৰে পৰা আবেদন বিচৰা হ'ল । বিজ্ঞাপনটিত কোৱা হৈছিল যে গদাপাণিৰ চৰিত্ৰত অভিনয় কৰিবলৈ বিচৰা গৰাকী দেখাত ধুনীয়া হোৱাৰ উপৰিও শকত-আবত,ওখ আৰু স্বাস্থ্যবান হ'ব লাগিব । জয়মতী চৰিত্ৰত অভিনয় কৰিবলৈ বিচৰা গৰাকীৰ বয়স ২০ - ২৫ হ'ব লাগিব আৰু তেওঁ দেখাত ধুনীয়া হোৱাৰ লগতে আহোম গঢ়ী হ'ব লাগিব । সেইদৰে ল'ৰাৰজা ,ডালিমী আৰু গাঁঠী হাজৰিকাৰ ভাৱত অভিনয় কৰিবলৈ বিচৰা সকলৰ কি কি বৈশিষ্ট্য থাকিব লাগিব সেয়াও বিতংভাবে জনাই দিয়া হ'ল ।

পুৰুষৰ চৰিত্ৰত অভিনয় কৰিবলৈ বহুতো আবেদন আহিল কিন্তু কোনো মহিলা বা ছোৱালীৰ পৰা আবেদন নাহিল । নায়িকা বিচাৰি জ্যোতিপ্ৰসাদ ব্যৰ্থ হোৱাৰ সময়তে গোলাঘাটৰ ডিম্বেশ্বৰ বৰগোহাঁই নামৰ এজন লোকে নিজৰ ইচ্ছাই আগবাঢ়ি আহি নায়িকা বিচৰাৰ দায়িত্বটো ল'লে । অভিভাৱকসকলৰ পৰা সন্মতি লৈ বৰগোহাঁয়ে গোলাঘাটৰ ওচৰৰ চাৰিগৰাকী ছোৱালীৰ ফটো জ্যোতিপ্ৰসাদলৈ পঠালে। তেওঁলোক আছিল আইদেউ সন্দিকৈ, মোহিনী ৰাজকুমাৰী, ব্ৰতেশ্বৰী আৰু ভনীটি । মোহিনী আৰু ব্ৰতেশ্বৰী আছিল সম্ভ্ৰান্ত পৰিয়ালৰ । তেওঁলোকে যেতিয়া অভিনয় কৰিবলৈ ওলাইছিল তেতিয়া তেওঁলোকক বুঢ়ীমাক খীৰেশ্বৰীয়ে তেওঁলোকক আশীৰ্বাদ দি বিদায় দিলে । আইদেউ সন্দিকৈ যি গৰাকীয়ে জয়মতীৰ নাম ভূমিকাত অভিনয় কৰিছিল তেওঁৰ কথাটো আছিল সুকীয়া । তদুপৰি সেই সময়ত আইদেউ সন্দিকৈৰ বয়স হৈছিল মাত্ৰ ১৪ বছৰহে । তেওঁ দেখাত বৰ ধুনীয়া আৰু আহোম গঢ়ী আছিল। ডিম্বেশ্বৰ বৰগোহাঁয়ে আইদেউ সন্দিকৈক যে ভোলাগুৰি চাহ বাগিচালৈ অভিনয় কৰিবলৈ নিছিল সেই কথাষাৰ তেওঁৰ পিতৃ মাতৃক জনোৱা নাছিল। ডিম্বেশ্বৰ বৰগোহাঁই সম্বন্ধত আইদেউ সন্দিকৈৰ খুড়াক আছিল । খুড়াকে আইদেউক ব্ৰহ্মপুত্ৰত উপঙা

নাও দেখুৱাম বুলিহে ফুচুলাই লৈ গৈছিল। ডালিমীৰ চৰিত্ৰত অভিনয় কৰা স্বৰ্গজ্যোতিকহে নিৰ্বাচন প্ৰক্ৰিয়াৰ জৰিয়তে নিৰ্বাচিত কৰা হৈছিল। স্বৰ্গজ্যোতিৰ ঘৰো আছিল গোলাঘাটৰ ওচৰতে আৰু তেৰোঁ সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী আছিল । শ্বুটিঙৰ বাবে আখৰা কৰাৰ আগতে তেওঁলোকক ভোলাগুৰি চাহ বাগিচাৰ কলঘৰতে প্ৰশিক্ষণ দিয়া হ'ল । বোলছবিত অভিনয় কৰাৰ বাবে তেওঁলোকক মাচুলো দিয়া হ'ল। আইদেউ সন্দিকৈ আৰু স্বৰ্গজ্যোতিক ২০০ টকাকৈ মাছুল দিয়া হ'ল। বোলছবিখনত গাঁঠী হাজৰিকাই (ফণী শৰ্মা) জয়মতীক কৰা অত্যাচাৰ আৰু চাওদাং সকলে জয়মতীক পথাৰৰ মাজত এজোপা গছত বান্ধি কৰা অত্যাচাৰ ইমান সঁচা যেন লাগিছিল যে এগৰাকী বয়সস্থ মহিলাই নিজৰ থং দমন কৰিব নোৱাৰি মানুহজাকক লাখুটি এডাল লৈ খেদি গৈছিল । আইদেউ সন্দিকৈয়ে কথাটো বুজোৱাতহে মহিলা গৰাকী ক্ষান্ত হ'ল । ১৯৩৪ চনৰ জানুৱাৰী মাহত বোলছবিৰ শ্বুটিং শেষ হ'লত ঘৰলৈ উভতি অহাত আইদেউ সন্দিকৈক গাঁৱৰ মানুহে নানা ধৰণে নিন্দা কৰিবলৈ ধৰিলে । গাঁৱৰ মানুহে আইদেউ সন্দিকৈৰ পৰিয়ালটিক এঘৰীয়া কৰিলে আৰু আইদেউ সন্দিকৈক ৰাজহুৱা পুখুৰীৰ পৰা পানী অনা কাৰ্যতো বাধা প্ৰদান কৰিলে। তেওঁক বিবাহ কৰিবলৈও কোনো যুৱক আগবাঢ়ি আহিল ফলত তেওঁ চিৰকুমাৰ হৈয়ে ৰৈ গ'ল। ১৯৩৫ চনৰ ২০ মাৰ্চত কলকাতাৰ 'ৰৌণাক' চিনেমা গৃহত জয়মতী বোলছবিখনে মুক্তি লাভ কৰিলে । লক্ষ্মীনাথ বেজবৰুৱাই আইদেউ সন্দিকৈ আৰু স্বৰ্গজ্যোতিৰ অভিনয়ক হলিউডৰ নায়িকাৰ সমপৰ্যায়ৰ বুলি বিবেচনা কৰিলে। এটা সত্য কাহিনীৰ বাস্তৱ ৰূপ দেখি অসমৰ মানুহ অভিভূত হ'ল আৰু জ্যোতিপ্ৰসাদ আগৰৱালাক সমগ্ৰ অসমৰ সংস্কৃতিৰ পোহৰ বিলাওঁতা বুলি স্বীকৃতি দিলে । প্ৰথম অসমীয়া বোলছবি জয়মতীৰ মুক্তিৰ পিছতে জ্যোতিপ্ৰসাদ ৰূপকোঁৱৰ নামেৰে জনাজাত হ'ল।

হৰ্ষবৰ্দ্ধন শইকীয়া

শ্ৰেণী–অষ্টম

## পখিলা




পখিলা অ' পখিলা পাখি দুখন ফুটুকা
ৰ'দে ৰ'দে ফুৰা ঘূৰি
কিনো বিচৰা ।

ভাল লাগে মোৰ তোমাৰ পিছে পিছে ঘূৰি !
তুমি কিয় উৰি যোৱা
ওপৰলৈ গুচি ?

*অন্বেষা দেউৰী*
*শ্ৰেণী -চতুৰ্থ*



## মোলডী কুইন লতা মংগেশকাৰ

মোলডী কুইন বুলি জনাজাত লতা মংগেশকাৰৰ জন্ম হৈছিল ১৯২৯ চনৰ ২৮ ছেপ্তেম্বৰত, মহাৰাষ্ট্ৰৰ ইন্দোৰত । তেখেতৰ দেউতাকৰ নাম পণ্ডিত দীননাথ মংগেশকাৰ আৰু মাতৃৰ নাম শেৱান্তি মংগেশকাৰ । পিতৃৰ মৃত্যৰ পিছত তেওং মাত্ৰ তেৰ বছৰ বয়সতে সংগীত জীৱনৰ আৰম্ভ কৰিছিল । পিতৃৰ মৃত্যুৰ পিছত তেওঁ মাতৃসহিতে চাৰিগৰাকী ভাই-ভনীক চোৱাচিতা কৰিবলগীয়া হৈছিল । দীননীথ মংগেশকাৰ আছিল এজন মাৰাঠী সংগীতজ্ঞ, সেয়ে হয়তো গায়িকাকৰাকীৰ জীৱনত তেওঁৰ পিতৃৰ প্ৰভাৱ পৰিছিল ।

লতা মংগেশকাৰে ৩৬ টা বিভিন্ন ভাষাত ২৫ হাজাৰৰো অধিল গান গাইছিল । তেওঁক ভাৰতৰত্ন, পদ্মভূষণ,দাদা চাহেব ফাল্কে, শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ বঁটা আদি বিভিন্ন বঁটাৰে সন্মানিত কৰা হৈছিল । লতা মংগেছকাৰে গোৱা প্ৰখ্যাত গানবোৰৰ ভিতৰত নাম গুম যায়েগা, আজিব দাস্তা হেঁ য়ে, প্যআৰ কিয়া তৌ দৰণা ক্যা, এ মেৰে বতন কে লোগো, আদি গীতবোৰ সকলোৰে হৃদয়ে হৃদয়ে বাজি আছে । লতা মংগেশকাৰৰ অসমৰ লগতো অসমৰ লগতো এৰাব নোৱাৰা সম্পৰ্ক আছিল । অমাৰ অসমৰ সকলোৰে পৰিচিত ড০ ভূপেন হাজৰিকাৰ জৰিয়তে এই সম্পৰ্কৰ সেতু গঢ়ি উঠিছিল । এৰাবাটৰ সুৰ নামৰ চিনেমাখনৰ জোনাকৰে ৰাতি অনমীৰে মাটি .... এই গীতটিত কন্ঠ নিগৰাইছিল লতা মংগেছকাৰে । ইয়াৰ উপৰি তেখেতে কেইবাটাও অসমীয়া গানত ভূপেন হাজৰিকাৰ সৈতে কন্ঠদান কৰিছিল । সুধাকন্ঠ ভূপেন হাজৰিকাৰ ‘বুকু হম হম কৰে মোৰ আই’ শীৰ্ষক অসমীয়া গানৰ হিন্দী ৰূপান্তৰ ‘দিল হম গম কৰে মোৰ আই’ গীতটোত লতা মংগেছকাৰে কন্ঠদান কৰিছিল । অসমীয়া মানুহৰ প্ৰতি থকা ভালপোৱাৰ বাবে প্ৰতিটো অসমীয়া গালেই তেওঁ হিয়া উজাৰি গাইছিল । এইগৰাকী কোকিলকন্ঠী গায়িকা লতা দিদি বুলিও জনাজাত । তেখেতৰ সংগীত জীৱনৰ বিষয়ে আমি কেতিয়াও লিখি শেষ কৰিব নোৱাৰোঁ ।

ভাৰতৰ নাইটিংগেল, সুৰসম্ৰাজ্ঞী ভাৰতৰত্ন লতা মংগেশকাৰে আমাক তথা বিশ্ববাসীক কন্দুৱাই ২০২২ চনৰ ৬ ফেব্ৰুৱাৰীৰ দিনাখন ৮-১২ বজাত মুম্বাইৰ বীচ কেন্দি হস্পাতালত দেহাবসান ঘটে । মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯২ বছৰ । গায়িকা গৰাকীৰ মৃত্যুত এটা যুগৰ অৱসান ঘটিল । আমাৰ দেষৰ বাবে এয়া এক অপূৰণীয় ক্ষতি বুলি কব পাৰি । শেষত এই গৰাকী মহান গায়িকালৈ শতকোটি নমস্কাৰ ।

*অনিন্দিতা গগৈ*

*শ্ৰেণী- অষ্টম*

# মোৰ চিকিম যাত্ৰা

নতুন নতুন ঠাই চাই ,ফুৰি মোৰ বৰ ভাল লাগে।বহু ঠাই ভ্ৰমণ কৰা নাই যদিও দুই-এঠাইলৈ গৈছোঁ ।তাৰ ভিতৰত চিকিম-গেংটকৰ যাত্ৰা সদায় মনত ৰ'ব। সেইদিনা আছিল ডিচেম্বৰ মাহৰ ২৮ তাৰিখ । আমি ডিব্ৰুগড় এয়াৰপৰ্টেৰে গৈ বাগড'গৰাত নামিলোঁ। তাৰ পৰা গাড়ীৰে ১৫০ কিলোমিটাৰ গৈ আমি চিকিম পালোঁগৈ । পিছদিনা ৰাতিপুৱাই আমি হোটেলৰ পৰা নাথুলা পাচ অভিমুখে ৰাওনা হ'লোঁ। বতৰ ফৰকাল আছিল বাবেই হয়তো বাটত পৰ্যটকৰ ভিউ পইন্টৰ পৰা কাঞ্চনজংঘা পিট দেখাৰ সৌভাগ্য হ'ল । কি যে নান্দনিক দৃশ্য । পুনৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল । প্ৰথমে আমি ১২,৩০০ ফুট উচ্চতাত থকা চাংগো লেক দেখিলোঁ । চাৰিওফালে পাহাৰে আবৃত, মাজত মাজত এটি জলাশয়। এনে অপূৰ্ব দৃশ্য আগত দেখা নাছিলোঁ কোনোদিন । জাৰকালি ইয়াৰ পানী গোট মাৰি বৰফ হৈ থাকে । তাৰ পাছত আমি বাবা মন্দিৰত প্ৰবেশ কৰিলোঁ । সেয়া আছিল এজন ভাৰতীয় সেনা জোৱানৰ নামত উৎসৰ্গিত মন্দিৰ । বীৰ জোৱান হৰভজন সিং যিয়ে আজিও ছহিদ হোৱাৰ পিছতো দেশৰ সুৰক্ষা কৰি আছে বুলি গণ্য কৰা হয়।

তাৰ পৰা ওলাই আমি নাথুলা পাচলৈ গমন কৰিলোঁ । মাটিৰ পৰা ৪,৩১০ মিটাৰ উচ্চতাত ভাৰত-চীনৰ সীমান্তত থকা এইখন এখন বাণিজ্যিক গেট । ইয়াত মাত্ৰাধিক বৰফৰ পৰে আৰু ভূমিপৃষ্ঠৰ পৰা বহু উচ্চতাত থকা বাবে অক্সিজেনৰ পৰিমাণ কম। সেয়ে উশাহ-নিশাহত মানুহৰ কিছু কষ্ট হয়। কৈলাস সৰোবৰৰ যাত্ৰাও তাৰ পৰাই আৰম্ভ হয়। সেই সথানত ভাৰতীয় সেনা সকলো সময়ত সষ্টম হৈ থাকে । আমি চীনৰ সীমা বৰ ওচৰৰ পৰা চাবলৈ পালোঁ । তালৈ গৈ দেশভক্তিৰ এক গভীৰ শিহৰণ অনুভৱ হয়।

চিকিমৰ প্ৰাকৃতিক সৌন্দৰ্যত আমি মোহিত হৈ একসপ্তাহ তাতে কটালোঁ । তাৰ মানুহবোৰ বৰ সহজ -সৰল আৰু নম্ৰ স্বভাৱৰ । পৰ্যটকসকলক তেওঁলোকে বৰ সন্মান কৰে। সেয়ে আকৌ এবাৰ চিকিম যোৱাৰ হেঁপাহেৰে আমি ঘৰমুখী যাত্ৰা কৰিলোঁ।

*শ্ৰী ডিহাং ৰাজকোঁৱৰ*

*শ্ৰেণী-সপ্তম*



## যুগনায়ক শংকৰদেৱ

জয় গুৰু শংকৰ সৰ্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণকু ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম ।

অসমৰ জাতীয় জীৱনৰ প্ৰাণ প্ৰতিষ্ঠাতা, সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাপুৰুষ, যুগনায়ক শ্ৰীমন্ত শংকৰদেৱৰ অতুলনীয় অৱদান আৰু প্ৰচেষ্টাৰ বলতে আমি এটি সংস্কৃতিবান জাতি হিচাপে আত্ম পৰিচয়েৰে গৌৰৱান্বিত হৈছোঁ । ধৰ্মীয় গোড়ামি আৰু অনাচাৰ,সামাজিক অৱক্ষয়, নৈতিক অধপতনৰ চূড়ান্ত পৰ্যায়ত আমাৰ সমাজ উপনীত হোৱাৰ সময়তে মহাপুৰুষ শংকৰদেৱে আবিৰ্ভাৱ হৈ সমাজ সংস্কাৰৰ বিপ্লৱৰ সূচনা কৰে । মূল্যবোধৰ আধাৰত এখন নতুন সমাজ গঢ়াৰ চিন্তা আৰু পৰিকল্পনাৰে সেই সময়তেই গুৰুজনাই এটা সমাজ বিপ্লৱৰ বিস্তাৰ ঘটাইছিল । সমাজৰ প্ৰতিজন ব্যক্তিয়ে যাতে প্ৰকৃত মানুহৰ মৰ্যদা আৰু অধিকাৰ লাভ কৰে, তেনে এক সমাজ ব্যৱস্থা আৰু দৰ্শন গুৰুজনাই গঢ়ি তুলিছিল ।

ভাষা সাহিত্য আৰু সংস্কৃতিৰ পোহৰেৰে যুগনায়ক শংকৰদেৱে অসমৰ অতীত সংস্কৃতি,সামাজিক ব্যৱস্থাৰ ৰূপান্তৰ ঘটাইছিল আৰু ভাগৱত গীতা আদি শাস্ত্ৰত নিহিত বেদান্ত দৰ্শনৰ গভীৰতম বাণীৰে সমগ্ৰ অসমীয়া জাতিৰ ঐক্য প্ৰতিষ্ঠা কৰিছিল । অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত সমহতি স্থাপন কৰি , গুৰু শংকৰদেৱে অসমীয়া জাতিত প্ৰাণ কৰাৰ উপৰিও সাংস্কৃতিক আৰু ভৌগোলিক ভাৰতৰ সৈতে অসমৰ যুগসূত্ৰক প্ৰাণবন্ত কৰি তুলিছে ।

প্ৰতিয়ো যুগেই, প্ৰতিটো প্ৰজন্মই শ্ৰীমন্ত সমকৰদেৱৰ অৱদান ৰাজিক নতুন-নতুন দৃষ্টিভংগীৰে মূল্যায়ন কৰি আহিছে । ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছিল- মধ্যযুগৰ ভাৰতীয় সাধু-সন্তসকলৰ মাজত নিশ্চিতভাবে প্ৰথম শাৰীৰ মহাপুৰুষ আছিল শ্ৰীমন্ত শংকৰদেৱ । শংকৰাচাৰ্য, ৰামানুচাৰ্য, মাধবাচাৰ্য, বাসপ্পা, ৰামানন্দ কবীৰ দাস ,দাদু দয়াল, চৈতন্যদেৱ আৰু গুৰু নানক প্ৰভৃতি সন্তসকলৰ সৈতে একেলগে তেৰাৰ নাম লব পাৰি ।

সময় পাৰ হৈ যোৱাৰ লগে লগে গুৰুজনাৰ কৰ্মৰাজিৰ ন-ন মাত্ৰা উন্মোচিত হবলৈ ধৰিছে । সেই অনুসৰি শ্ৰীমন্ত শংকৰদেৱক এগৰাকী ধৰ্মগুৰু, সমাজ সংস্কাৰক, দাৰ্শনিক, সাংস্কৃতিক দিকপাল, নৃত্যশিল্পী, নাট্যকাৰ অভিনেতা কবি , সাহিত্যিক অনুবাদক, চিত্ৰকৰ আদি নানা অভিধাৰে বিভূষিত কৰিব পাৰি । মহাপুৰুষজনাক অভিহিত কৰিব পাৰি সংহতিৰ এক মহত্বম ৰূপকাৰ হিচাপে ।

মহাপুৰুষ মাধৱদেৱে গুৰুভটিমাত মহাপুৰুষজনাক সৰ্বগুণাকৰ অভিধাৰে সন্মানিত কৰিছে। সমন্বয়ৰ মাজেৰে জাতিসত্বা নিৰ্মাণৰ যি আদৰ্শ গুৰুজনাই প্ৰতিষ্ঠা কৰি গৈছে, সেয়াই আমাৰ পাথেয় । অসমৰ জাতীয় জীৱনৰ ৰূপান্তৰৰ থনিকৰ মহাপুৰুষ শ্ৰামন্ন শংকৰদেৱ গুৰিজনাই দি যোৱা অন্তৰ্দৃষ্টি আৰু ঐশ্বৰ্যৰ বাবেই আজি আমি সংস্কৃতিবান জাতি হিচাপে পৰিচিত হৈছোঁ । গুৰুজনাৰ বিশাল অৱদানৰ অবিহনে আমি এটা পৰিচয়বিহীন জাতি হৈ থাকিলোহেঁতেন ।

*নভোৰাজ কছাৰী*

*অষ্টম শ্ৰেণী*